জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭৬/২০২০

## <u>মুখ্যমন্ত্ৰী সোণোৱালৰ নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ সৈতে টেলিফোনিক বাৰ্তালাপ</u>

# মুখ্যমন্ত্ৰী সোণোৱালৰ প্ৰচেষ্টাত নাগালেণ্ড চৰকাৰে ছীল কৰা চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ অসম-নাগালেণ্ড সীমান্ত মুকলিৰ পথ প্ৰশস্ত

**দিছপুৰ, ২৩ মে' ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফু ৰিঅ'ৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে নাগালেণ্ড চৰকাৰে ক'ভিড-১৯ সংক্ৰমণ ৰোধ কৰাৰ পদক্ষেপ হিচাপে ইতিপূৰ্বে ছীল কৰা শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অসম-নাগালেণ্ড সীমান্ত মুকলি কৰাৰ বাবে নাগালেণ্ডৰ মুখ্যমন্ত্ৰীগৰাকীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰী সোণোৱালৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই নাগালেণ্ডৰ মুখ্যমন্ত্ৰী ৰিঅ'ই দুয়োখন জিলাৰ আন্তঃৰাজ্যিক সীমান্ত মুকলি কৰাৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে চৰাইদেউ জিলাৰ সোণাৰীত ক'ভিড-১৯ আক্ৰান্ত লোক চিনাক্ত হোৱাৰ পৰিপ্ৰেক্ষিতত নাগালেণ্ড চৰকাৰে আন্তঃৰাজ্যিক সীমান্ত ছীল কৰিছিল।

বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৰ'না ভাইৰাছ সংক্ৰমণৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ বিৰুদ্ধে সকলোৱে যৌথভাৱে যুঁজ দিব লাগিব। এই সময়ছোৱাত জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষাৰ সমান্তৰালভাৱে অৰ্থনৈতিক কাম-কাজসমূহো যাতে বাধাহীনভাৱে চলিব পাৰে তাৰ ওপৰত গুৰুত্ব দিব লাগিব। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম-নাগালেণ্ড সীমান্তৱৰ্তী বাগিচাসমূহত জড়িত শ্ৰমিকসকল সীমান্ত ছীল কৰাৰ ফলস্বৰূপে যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে আৰু তাৰ ফলত চাহ বাগিচাসমূহৰ লগতে তেওঁলোকৰ আৰ্থিক দিশত পোনপটীয়াকৈ প্ৰভাৱ পৰিছে। সেইদৰে, সীমান্তৱৰ্তী বিভিন্ন শিলৰ কুৱেৰীত উৎপাদিত নিৰ্মাণ সামগ্ৰীসমূহৰ যাতায়াতো বাধাপ্ৰাপ্ত হৈছে। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য সংক্ৰান্তীয় সকলো বিধি-বিধান মানি চলি ইতিমধ্যে ছীল কৰা সীমান্ত মুকলি কৰিলে অৰ্থনৈতিক কাম-কাজৰ ক্ষেত্ৰত অহা জটিলতা দূৰ হ'ব তথা চাহ শ্ৰমিক আৰু শিলৰ কুৱেৰীসমূহৰ শ্ৰমিকসকল বিশেষভাৱে উপকৃত হ'ব। তদুপৰি, এই পদক্ষেপে নিৰ্মাণখণ্ডত ব্যৱহৃত সামগ্ৰীসমূহৰ সুচল যাতায়াতৰ ক্ষেত্ৰত সহায় কৰিব। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে নাগালেণ্ডৰ মুখ্যমন্ত্ৰীগৰাকীক শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ছীল কৰা সীমান্ত মুকলি কৰিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰী সোণোৱালৰ এই অনুৰোধৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই নাগালেণ্ডৰ মুখ্যমন্ত্ৰী ৰিঅ'ই ছীল কৰি থোৱা সীমান্ত অনতিবিলম্বে মুকলি কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি কয়।

বীঃগঃ
২৩/০৫/২০২০